# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-03-2025
**Time:** 1845 Hrs

## *Assamese Evening Bulletin*
## *Headlines*

- - - - - - - - - - - - - -

১। প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ হিতাধিকাৰীক পৰহিলৈ প্ৰথম কিস্তিৰ ধন বিতৰণ। পলাশবাৰীত কেন্দ্ৰীয় কাৰ্যসূচী।

২। অহা মে'ত ৯ হাজাৰ স্নাতকোত্তৰ শিক্ষক পদৰ ফলাফল ঘোষণা কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

৩। ৰাজ্যখনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বদলিকৰণৰ আবেদন প্ৰক্ৰিয়া পুনৰ মুকলি। গ্ৰীষ্ম বন্ধৰ সময়ছোৱাত বদলি কাৰ্যকৰীকৰণৰ লক্ষ্য।

৪। গুৱাহাটী মহানগৰী কৃত্ৰিম বান ৰোধ কৰাৰ বাবে কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে, সেই বিষয়ে তথ্য দাখিল কৰিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অসম চৰকাৰক নিৰ্দেশ।

**আৰু**

৫। কৃষি বিভাগ আৰু অসম ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰটিয়ামৰ সহযোগত গুৱাহাটীৰ পাঞ্জাবাৰীৰ শিল্পগ্ৰামত কৃষক উৎপাদক মেলা আৰম্ভ।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ৰাজ্যৰ বিভিন্ন জিলাৰ আয়ুক্ত আৰু সম-জিলাৰ আয়ুক্তসকলে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বৈঠকত মিলিত হৈ প্ৰধানমন্ত্ৰী আৱাস যোজনী গ্ৰামীণৰ হিতাধিকাৰীসকলক প্ৰথম কিস্তিৰ ধন বিতৰণ সন্দৰ্ভত আলোচনা কৰে। অহা ১৯ মাৰ্চত কামৰূপ জিলাৰ পলাশবাৰীত কেন্দ্ৰীয়ভাৱে এই যোজনাৰ হিতাধিকাৰীসকলক প্ৰথম কিস্তিৰ ধনৰাশি অনুমোদন পত্ৰ বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হ'ব। প্ৰতিখন জিলা আৰু সম-জিলাত একে সময়তে এই অনুষ্ঠানৰ আয়োজন কৰিবলৈ মুখ্যমন্ত্ৰী জিলা আৰু সম-জিলা আয়ুক্তসকলক নিৰ্দেশ জাৰি কৰে। এই দিনটোতে ৰাজ্যখনৰ ৩ লাখ ৮৮ হাজাৰ ৩৫৮গৰাকী হিতাধিকাৰীক প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত প্ৰথম কিস্তিৰ ধনৰাশিৰ অনুমোদন পত্ৰ বিতৰণ কৰা হ'ব। বৈঠকত জিলা আৰু সম-জিলাসমূহত গামোছা বিতৰণ কাৰ্যসূচী ৰূপায়ণ সন্দৰ্ভতো আলোচনা কৰা হয়। দুয়োটা অনুষ্ঠান সফলতাৰে অনুষ্ঠিত কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে আয়ুক্তসকলক যাৱতীয় নিৰ্দেশনা দিয়ে।

০০০০০

অহা মে'ত ৯ হাজাৰ স্নাতকোত্তৰ শিক্ষক পদৰ ফলাফল ঘোষণা কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কিছু সময় পূৰ্বে ফেচবুক লাইভযোগে এই কথা প্ৰকাশ কৰে। তেওঁ লগতে অহা জুনত প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাত উত্তীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ মৌখিক পৰীক্ষা অনুষ্ঠিত হ'ব বুলি উল্লেখ কৰে। এইবাৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সমাজ বিজ্ঞান বিষয়ৰ প্ৰশ্নকাকত কঠিন আছিল বুলি শিক্ষাৰ্থীসকলে কৰি অহা অভিযোগৰ

পৰিপ্ৰেক্ষিতত সমাজ বিজ্ঞানত সকলোৰে বাবে অতিৰিক্ত নম্বৰৰ ব্যৱস্থা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ৰাজ্যখনৰ বিভিন্ন স্থানত চৰকাৰে ৰূপায়ণ কৰা আন্তঃগাঁথনিমূলক প্ৰকল্পৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে  দেৰগাঁৱত সৰুসজাইৰ দৰে বৃহৎ ক্ৰীড়া প্ৰকল্প নিৰ্মাণ কৰা হ'ব আৰু দেৰগাঁৱৰ পুলিচ একাডেমীত আৰক্ষী চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰো পৰিকল্পনা কৰা হৈছে। তেওঁ লগতে দিল্লীত উপেন্দ্ৰনাথ ব্ৰহ্মৰ নামেৰে পথৰ নামকৰণ কৰা হ'ব বুলিও জানিবলৈ দিয়ে।

০০০০০

শিক্ষা মন্ত্ৰী  ডাঃ ৰণোজ পেগুৱে আজি শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বদলিকৰণৰ আবেদন প্ৰক্ৰিয়া পুনৰ মুকলি কৰে। সমগ্ৰ শিক্ষা অসমৰ কাহিলীপাৰা কাৰ্যালয়ত শিক্ষামন্ত্ৰীগৰাকীয়ে বদলিকৰণৰ বাবে পোৰ্টেলটো মুকলি কৰে। সেই অনুসৰি প্ৰাথমিকৰ পৰা মাধ্যমিক বিদ্যালয় পৰ্যায়ৰ ইচ্ছুক শিক্ষক-শিক্ষয়িত্ৰীয়ে hrmsassam.in পোৰ্টেলযোগে বদলিৰ নিৰ্ধাৰিত নিয়ম অনুসৰি ৩০ এপ্ৰিল পৰ্যন্ত আবেদন কৰিব পাৰিব। এই পোৰ্টেল সন্দৰ্ভত শিক্ষামন্ত্ৰীগৰাকীয়ে এইদৰে কয় -

**বাইট**

০০০০০

ৰাজ্যখনৰ মাধ্যমিক আৰু উচ্চ শিক্ষাৰ কাৰ্যপ্ৰণালী মূল্যায়ন কৰিবলৈ আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এখন পৰ্যালোচনা বৈঠকত অংশ লয়। এই বৈঠকত সক্ৰিয় আৰু উৎসাহী কৰ্মশক্তি নিশ্চিত কৰাৰ বাবে শিক্ষকসকলৰ নিযুক্তি আৰু পাৰিশ্ৰম সম্পৰ্কত আলোচনা কৰা হয়। এই বৈঠকত শৈক্ষিক আন্তঃগাঁথনি, অনুকূল শিক্ষা পৰিবেশ সৃষ্টি, চাহ বাগিছা অঞ্চলত মানসম্পন্ন শিক্ষা প্ৰদানৰ লক্ষ্যৰে আদৰ্শ বিদ্যালয় স্থাপনকে ধৰি কেইবাটাও বিষয়ত গুৰুত্ব আৰোপ কৰা হয়। দূৰণিবটীয়া এলেকাতসমূহত শিক্ষাৰ্থীৰ শিক্ষণ অভিজ্ঞতা বৃদ্ধিৰ বাবে বিদ্যালয়ৰ উন্নীতকৰণ আৰু প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত ড০ বাণীকান্ত কাকতি মেধা বঁটা প্ৰদান তথা মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনিৰ কাৰ্যকৰীকৰণ সন্দৰ্ভতো বৈঠকত আলোচনা কৰা হয়।

০০০০০

ৰাজ্যৰ প্ৰাথমিক বিদ্যালয়সমূহত খালী হৈ থকা প্ৰধানশিক্ষকৰ পদ পূৰণৰ বাবে বিদ্যালয় শিক্ষা বিভাগে নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনা অনুসৰি বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষকগৰাকীক প্ৰধানশিক্ষক পদৰ বাবে বাছনি কৰা হ'ব। তদুপৰি প্ৰাথমিক সঞ্চালকালয়ৰ অধীনত হোৱা বিশেষ নিযুক্তি প্ৰক্ৰিয়াত শিক্ষক এগৰাকীৰ নিযুক্তিৰ তাৰিখৰ পৰা জ্যেষ্ঠতা বাছনি কৰা হ'ব। ঠিকাভিত্তিত নিয়োজিত শিক্ষকক জ্যেষ্ঠতাৰ তালিকাত অন্তৰ্ভুক্ত কৰা নহ'ব বুলিও নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে। চি আৰ চি চি অৰ্থাৎ ক্লাষ্টাৰ ৰিচৰ্চ চেণ্টাৰ কো-অৰ্ডিনেটৰ হিচাপে দায়িত্ব নিৰ্বাহ কৰি থকা কোনো শিক্ষক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক হিচাপে বাছনিভুক্ত হ'লে তেওঁ চি আৰ চি চি পদ ত্যাগ কৰিব বুলি লিখিতভাৱে শিক্ষা বিভাগক অৱগত কৰিব লাগিব বুলিও নিৰ্দেশনাটোত কোৱা হৈছে। নিয়মীয়া প্ৰধানশিক্ষক নথকা বিদ্যালয়সমূহত জিলা প্ৰাথমিক শিক্ষা বিষয়া বা বিদ্যালয়ৰ পৰিদৰ্শকে এগৰাকী শিক্ষকক ভাৰপ্ৰাপ্ত প্ৰধানশিক্ষকৰ দায়িত্ব অৰ্পণ কৰিব। একেদৰে নিয়মীয়া শিক্ষক নথকা বিদ্যালয়ত বিশেষ নিযুক্তি প্ৰক্ৰিয়াৰ অধীনত নিযুক্তিপ্ৰাপ্ত জ্যেষ্ঠ শিক্ষকগৰাকীক প্ৰধানশিক্ষকৰ দায়িত্ব দিয়া হ'ব। একেলগ কৰা দুখন নিম্ন প্ৰাথমিক বিদ্যালয়ৰ ভিতৰত অধিক ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়খনৰ জ্যেষ্ঠ শিক্ষকে প্ৰধানশিক্ষকৰ দায়িত্ব লাভ কৰিব বুলি নিৰ্দেশনাটোত কোৱা হৈছে।

০০০০০

গুৱাহাটী মহানগৰী আৰু ইয়াৰ কাষৰীয়া অঞ্চলসমূহত অবাধে চলি থকা পাহাৰ খনন আৰু কৃত্ৰিম বান ৰোধ কৰাৰ বাবে কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে, সেই বিষয়ে তথ্য দাখিল কৰিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে অসম চৰকাৰক নিৰ্দেশ দিছে। গুৱাহাটীৰ কৃত্ৰিম বানৰ সমস্যাক লৈ ইক' ডেভলপমেণ্ট ছ'চাইটি নামৰ এটা স্বেচ্ছাসেৱী সংগঠনে দাখিল কৰা এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানি গ্ৰহণ কৰি আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয় আৰু ন্যায়াধীশ উন্নী কৃষ্ণ নায়াৰৰ খণ্ড বিচাৰপীঠে এই নিৰ্দেশ দিয়ে। ৰাজ্য চৰকাৰৰ হৈ গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ সচিবে দাখিল কৰা শপতনামাখনত গুৱাহাটীৰ জি আই এছ ভিত্তিক নলাৰ বিস্তাৰিত মাষ্টাৰ প্লেন প্ৰস্তুতিৰ কাম চলি আছে বুলি কোৱা হয়। একেদৰে বাহিনী নৈৰ জড়িয়তে অতিৰিক্ত পানী নিষ্কাষণ প্ৰকল্পৰ কামো চলি আছে বুলি ৰাজ্য চৰকাৰে আদালতক জনায়। গুৱাহাটী উচ্চ ন্যায়ালয়ে নিজাববীয়াকৈ নিযুক্ত কৰা জ্যেষ্ঠ অধিবক্তা কমল নয়ন চৌধুৰীয়ে গুৱাহাটী মহানগৰীত কৃত্ৰিম বানৰ সমস্যা সমাধানৰ স্বাৰ্থত মহানগৰীত নতুন কৈ গৃহ নিৰ্মাণৰ অনুমতি বন্ধ ৰাখিবলৈ, সকলো সংৰক্ষিত বনাঞ্চল বেদখলমুক্ত কৰিবলৈ আৰু ম্যাদী পট্টাৰ  বাহিৰত থকা ভূমিৰ জৰীপ চলাবলৈ পৰামৰ্শ দিয়ে। আমাৰ গুৱাহাটীৰ সংবাদদাতাই জনোৱা মতে, আজি আদালতত উপস্থিত থকা অসম চৰকাৰৰ মহা অধিবক্তা দেৱজিৎ শইকীয়াইও গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বান ৰোধৰ বাবে মহানগৰীৰ পাহাৰসমূহত খনন কাৰ্য শীঘ্ৰে বন্ধ কৰাৰ পোষকতা কৰে। দুয়োগৰাকী অধিবক্তাই গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ এগৰাকী প্ৰাক্তন মুখ্য কাৰ্যবাহী বিষয়াই দিয়া পৰামৰ্শ গ্ৰহণ কৰিব লাগে বুলি আদালতক আহ্বান জনায়। ন্যায়াধীশ বিষ্ণয় আৰু উন্নী কৃষ্ণনৰ খণ্ড আদালতে প্ৰাক্তন মুখ্য কাৰ্যবাহী বিষয়াগৰাকীৰ পৰামৰ্শ বিবেচনা কৰিবলৈ অসম চৰকাৰক পৰামৰ্শ দিয়ে।

০০০০০

কৃষি বিভাগৰ উদ্যোগত আৰু অসম ক্ষুদ্ৰ কৃষক কৃষি বাণিজ্য কনছ'ৰটিয়ামৰ সহযোগত গুৱাহাটীৰ পাঞ্জাবাৰীৰ শিল্পগ্ৰামত আজিৰে পৰা তিনিদিনীয়াকৈ কৃষক উৎপাদক মেলা অনুষ্ঠিত হৈছে। কৃষি মন্ত্ৰী অতুল বৰাই আজি এই মেলাৰ উদ্বোধনী অনুষ্ঠানত অংশ লৈ বিভিন্ন বিপণীসমূহ প্ৰত্যক্ষ কৰাৰ লগতে কৃষক তথা কৃষি উদ্যোগীসকলৰ সৈতে মত-বিনিময় কৰে। এই সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয়  যে বছৰত দুটা বা তিনিটা বাণিজ্যিক মূল্য থকা শস্যৰ খেতিৰ প্ৰতি কৃষকসকলক আগ্ৰহী কৰি তোলাৰ বাবে এই মেলা অনুষ্ঠিত কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ কৃষি খণ্ডৰ ৰূপান্তৰৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাক এই মেলাই নতুন গতি দিবলৈ সমৰ্থ হ'ব বুলি শ্ৰীবৰাই আশা প্ৰকাশ কৰে। তেওঁ কয় যে ২০২০ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ক্ষুদ্ৰ আৰু উপান্ত শ্ৰেণীৰ কৃষকসকলক সংঘবদ্ধ কৰি কৃষিক উপাৰ্জনৰ নিশ্চিত ক্ষেত্ৰলৈ ৰূপান্তৰিত কৰাৰ বাবে সমগ্ৰ দেশত ১০ হাজাৰ কৃষক উৎপাদক সংস্থা গঠনৰ আঁচনি লৈছে। অসমত গঠন হোৱা এনে সংস্থাসমূহে ৰাজ্যখনত নৱজাগৰণৰ সূচনা কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেটতো মুখ্যমন্ত্ৰীৰ উৎকৰ্ষ যোজনাৰ অধীনত কৃষক উৎপাদক সংস্থাসমূহক শক্তিশালী কৰি তোলাৰ বাবে পদক্ষেপ লোৱা হৈছে। এই সংস্থাসমূহৰ কৃষিকৰ্মৰ পৰিচালনা ব্যয়ৰ বাবে প্ৰতিটো সংস্থালৈ ১০ লাখকৈ টকা আগবঢ়াবলৈও বাজেটত প্ৰস্তাৱ লোৱা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে কয়। আজিৰ অনুষ্ঠানত কৃষি উৎপাদন আয়ুক্ত তথা কৃষি বিভাগৰ আয়ুক্ত সচিব অৰুণা ৰাজোৰিয়া, কৃষি সঞ্চালক ভাস্কৰ পেগু প্ৰমুখ্যে বিভাগীয় শীৰ্ষ বিষয়া, কৃষক উৎপাদক সংস্থাৰ প্ৰতিনিধি আৰু ভালেসংখ্যক কৃষকে অংশগ্ৰহণ কৰে।

০০০০০

বিশ্বনাথৰ কৃষক নেতা বিবেক দাসে দৰিদ্ৰতা দূৰীকৰণৰ বাবে দক্ষিণ এছীয় মিত্ৰজোঁটৰ নেপালৰ কাঠমাণ্ডুত হ'বলগীয়া অনুষ্ঠানত ভাৰতক প্ৰতিনিধিত্ব কৰিবলৈ আমন্ত্ৰণ লাভ কৰিছে। অহা ২০ আৰু ২১ মাৰ্চত হ'বলগীয়া এই অনুষ্ঠানত শ্ৰীদাসে ক্ষুদ্ৰ চাহ খেতিয়কৰ সমস্যা সন্দৰ্ভত আলোকপাত কৰিব। এই অনুষ্ঠানত দক্ষিণ এছিয়াৰ চাহ উৎপাদনকাৰী দেশ যেনে- চীন, শ্ৰীলংকা, নেপাল, বাংলাদেশকে ধৰি কেইবাখনো দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত বিহাৰ আৰু উত্তৰ প্ৰদেশৰ দুগৰাকী কৃষক নেতাইও প্ৰতিনিধিত্ব কৰিব। এই খবৰ লাভ কৰাৰ পাছতেই বিশ্বনাথ জিলা ক্ষুদ্ৰ চাহ খেতিয়ক সুৰক্ষা সমিতিয়ে বিবেক দাসক সম্বৰ্দ্ধনা জ্ঞাপন কৰে।

০০০০০

অসম আৰক্ষীৰ কনিষ্টবল আৰু সমপৰ্যায়ৰ অন্যান্য পদসমূহৰ বাবে লিখিত পৰীক্ষা ২৩ মাৰ্চৰ পৰিৱৰ্তে ৬ এপ্ৰিলত অনুষ্ঠিত হ'ব। প্ৰশাসনিক কাৰণত পৰীক্ষাৰ দিন সলনি কৰা হৈছে বুলি অসম আৰক্ষীৰ ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি পৰিষদে ইতিমধ্যে জাননীযোগে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে অসম আৰক্ষীৰ মুঠ ৫ হাজাৰ ৫৬৩টা পদৰ বাবে অনুষ্ঠিত শাৰীৰিক পৰীক্ষাৰ ফলাফলসমূহ যোৱা ১২ মাৰ্চত ঘোষণা কৰা হয়। ৬ এপ্ৰিলৰ লিখিত পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে যোগ্য প্ৰাৰ্থীসকলে ১ এপ্ৰিলৰ পুৱা ১১ বজাৰ পৰা প্ৰৱেশ পত্ৰসমূহ ডাউনলোড কৰিব পাৰিব।

০০০০০

অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষা কৰি বৈধ মনোনয়ন পত্ৰৰ তালিকা প্ৰকাশ কৰা হয়। প্ৰাৰ্থীসকলে পৰহিলৈ বিয়লি ৩ বজালৈকে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব আৰু একেদিনাই বিয়লি নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। অহা ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোটগ্ৰহণ হ'ব আৰু ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

কামৰূপ জিলাৰ ১৬ টা পৰিষদীয় সমষ্টিৰ বাবে মুঠ ৫২ গৰাকী প্ৰাৰ্থীয়ে দাখিল কৰা আটাইকেইখন মনোনয়ন বৈধ হিচাপে বিবেচিত হয়। আমিনগাঁৱৰ সংহত আয়ুক্ত কাৰ্যালয়ত পৰীক্ষা কৰা মনোনয়ন পত্ৰৰ বিজেপিৰ তিনিজন, ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতিৰ ১৩ জন, আপৰ ২ জন, তৃণমূল কংগ্ৰেছৰ ৪ জন, অসম জাতীয় পৰিষদৰ এজন, কংগ্ৰেছৰ ১৬ জন আৰু নিৰ্দলীয় ১৩ জন বৈধ প্ৰাৰ্থী তালিকাত প্ৰকাশ কৰা হয়।

০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ ৰংখাং আৰু আম্ৰী বিধানসভা সমষ্টিৰ বাবে আসোঁৱাহমুক্ত ভোটদাতাৰ তালিকা প্ৰস্তুত কৰাৰ বাবে জিলাখনৰ প্ৰতিটো ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ সৈতে আজি জিলা আয়ুক্ত সাৰংগপাণি শৰ্মাই গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই বৈঠকত প্ৰতিটো ৰাজনৈতিক দলৰ বুথ পৰ্যায়ৰ পৰা প্ৰতিনিধি নিয়োগ কৰি প্ৰত্যেকটো পৰিয়ালৰ প্ৰাপ্তবয়স্ত লোকসকলৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ বাবে সজাগতা সৃষ্টি কৰিবলৈ আহ্বান জনোৱা হয়। বিশেষকৈ অসম-মেঘালয় সীমান্তত বসবাস কৰা খাচী লোকসকলৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰাত সহায় কৰিবলৈ আহ্বান জনোৱা হৈছে।

০০০০০

ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ অধ্যক্ষতাত আজি জিলাখনৰ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ সৈতে এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত জিলা নিৰ্বাচনী বিষয়াসকলেও অংশগ্ৰহণ কৰে। এই বৈঠকত জিলাখনৰ ছটা বিধানসভা সমষ্টিৰ এহেজাৰ ২৪৪টা ভোটগ্ৰহণ

কেন্দ্ৰৰ বাবে ৰাজনৈতিক দলৰ দ্বাৰা উন্নয়ন খণ্ড পৰ্যায়ৰ এজেণ্ট নিযুক্তি তথা ভোটাৰ তালিকা সংশোধনৰ সৈতে জড়িত বিষয়সমূহ আলোচনা কৰা হয়। তদুপৰি নিৰ্বাচন সংক্ৰান্তীয় বিভিন্ন বিষয় যেনে- ভোটগ্ৰহণ কেন্দ্ৰ নিৰ্ধাৰণ, স্থানান্তৰণ আৰু যাৱতীয় মেৰামতিকে ধৰি কেইবাটাও বিষয়ে বৈঠকত স্থান লাভ কৰে।

০০০০০

বাক্সা জিলাৰ দাওৰাইবাৰীত বনৰীয়া ম'হৰ আক্ৰমণত আজি এজন বনকৰ্মী গুৰুতৰভাৱে আহত হয়। আজি পুৱাৰে পৰা মানস ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা এটা বনৰীয়া ম'হে জিলাখনৰ উদ্যানখনৰ দাঁতিকাষৰীয়া ৰাজাবিল, গোঁসাইভিঠা, দাওৰাইবাৰীকে দৰি কেইবাটাও অঞ্চলত উপদ্ৰৱ চলায়। বন বিভাগে ম'হটো খেদিবলৈ চেষ্টা চলোৱাৰ সময়তে ম'হটোৱে এজন বনকৰ্মীক আক্ৰমণ কৰে। আহত বনকৰ্মীগৰাকীক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। অৱশ্যে সম্প্ৰতি ম'হটো বনাঞ্চললৈ আঁতৰি গৈছে বুলি বন বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰীত যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ত আজি ফলিক এচিদৰ প্ৰয়োজনীয়তা সম্পৰ্কে এখন সজাগতা সভাৰ আয়োজন কৰা হয়। উল্লেখযোগ্য যে জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ মিনহাজ চৌধুৰীৰ লগতে বিভিন্ন স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক, নাৰ্চ আৰু আশাকৰ্মীৰ উপস্থিতি এই সজাগতা কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়।

০০০০০

গোলাঘাট জিলাৰ নুমলীগড় লেটেকুজান চাহ বাগিচাত অবৈধ সুৰা সেৱন কৰি মৃত্যু হোৱা বুলি সন্দেহ কৰা দুজন লোকৰ মৃতদেহ আজি জিলা প্ৰশাসনে পুনৰ খান্দি উলিয়াই মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। কালি চাহ বাগিচাখনৰ ৰাজেশ টেলেঙা আৰু শংকৰ টেলেঙা নামৰ লোক দুজনৰ মৃত্যু হোৱাৰ পাছতে ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। পৰিয়ালৰ লোকে শংকৰ টেলেঙাৰ শেষকৃত্য সম্পন্ন কৰে যদিও স্থানীয় ৰাইজ আৰু দল-সংগঠনৰ দাবীত জিলা প্ৰশাসনে মৃতদেহ দুটা মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে।

০০০০০

উত্তৰ গুৱাহাটীৰ ডেকাবাৰীৰ অসম ক্ৰিকেট সন্থাৰ নৱনিৰ্মিত ক্ৰিকেট গ্ৰাউণ্ডত আজি ২৩ বছৰ অনুৰ্ধৰ মহিলা ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ হৈছে। আজিৰ প্ৰথমখন খেলত হাৰিয়ানাই কৰ্ণাটকক ছয় উইকেটত পৰাস্ত কৰে। খেলখনত কৰ্ণাটকে প্ৰথমে বেট ধৰি ৪৯ অভাৰ আৰু ৩টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২১৭ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত হাৰিয়ানাই ৪২ অভাৰত ৪টা উইকেট হেৰুৱাই বিজয় লক্ষ্যত উপনীত হয়। কাইলৈ দিল্লী আৰু বৰোডাৰ মাজত প্ৰতিযোগিতাৰ দ্বিতীয়খন খেল অনুষ্ঠিত হ'ব।

০০০০০

বজালীৰ দেৱ দামোদৰ সত্ৰৰ সত্ৰাধিকাৰ নৃপেন্দ্ৰ নাথ গোস্বামীৰ আজি পুৱা বাৰ্ধক্যজনিত কাৰণত তেওঁৰ ভালুকীৰ নিজা বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৫ বছৰ। তেওঁৰ মৃত্যুত সমগ্ৰ বজালী জিলাত শোকৰ ছাঁ পৰিছে।

০০০০০

সমাপ্ত